# তৃতীয় গোট

## সংবাদ লেখনত ভাষাৰ ব্যৱহাৰ

সংবাদ হৈছে কোনো ঘটনা, পৰিস্থিতি, ব্যক্তি, স্থান বা বিষয় সম্পৰ্কে জনসাধাৰণক তথ্য প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ মাধ্যম। সংবাদৰ মূল উদ্দেশ্য হৈছে সত্য, নিৰপেক্ষ আৰু প্ৰয়োজনীয় তথ্য অতি কম সময়ৰ ভিতৰত পাঠক, শ্ৰোতা বা দৰ্শকৰ ওচৰলৈ লৈ যোৱা। সেয়েহে সংবাদ লিখনত ভাষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সাহিত্যিক ৰচনাৰ ভাষাৰ দৰে সংবাদৰ ভাষা অলংকাৰপ্ৰধান বা জটিল নহয়; ই হ'ব লাগে সহজ, স্পষ্ট, সংক্ষিপ্ত, নিৰ্ভুল আৰু বোধগম্য। মাধ্যমৰ পৰিৱৰ্তনৰ লগে লগে সংবাদ লেখনৰ ভাষা আৰু উপস্থাপন-পদ্ধতিতো পৰিৱৰ্তন আহিছে। অনাতাঁৰ, দূৰদৰ্শন, কাকত-আলোচনী আৰু নতুন ডিজিটেল মাধ্যম—প্ৰতিটো মাধ্যমৰ নিজস্ব বৈশিষ্ট্য আছে। সেই অনুসৰি একেটা ঘটনাৰ সংবাদো বিভিন্ন মাধ্যমৰ বাবে বিভিন্ন ধৰণে প্ৰস্তুত কৰিব লাগে।

### ১. সংবাদ লেখনত ভাষাৰ ব্যৱহাৰঃ

সংবাদ লেখনৰ ভাষা মূলত তথ্যভিত্তিক আৰু উদ্দেশ্যপ্ৰধান। এজন সংবাদদাতাই নিজৰ ব্যক্তিগত অনুভূতি, মতামত বা পক্ষপাত সংবাদৰ মাজত প্ৰকাশ কৰিব নালাগে। সংবাদৰ ভাষাই ঘটনাটোক স্পষ্টভাৱে প্ৰকাশ কৰাৰ লগতে পাঠক বা শ্ৰোতাৰ মনত কোনো বিভ্ৰান্তিৰ সৃষ্টি নকৰিব লাগে।

**সংবাদৰ ভাষাৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল-**

**ক) সৰলতাঃ** সংবাদৰ ভাষা সহজ আৰু সৰল হ'ব লাগে। অতি জটিল শব্দ, দুৰ্বোধ্য বাক্য বা অপ্ৰচলিত শব্দৰ ব্যৱহাৰ পৰিহাৰ কৰা উচিত।

**খ) স্পষ্টতাঃ** সংবাদত কি ঘটিল, ক'ত ঘটিল, কেতিয়া ঘটিল, কোনে ঘটালে, কেনেকৈ ঘটিল আৰু ইয়াৰ ফলাফল কি—এই কথাবোৰ স্পষ্টভাৱে প্ৰকাশ কৰিব লাগে।

**গ) সংক্ষিপ্ততাঃ** সংবাদত অপ্ৰয়োজনীয় বৰ্ণনা বা দীঘলীয়া ব্যাখ্যাৰ স্থান কম। কম শব্দত অধিক তথ্য প্ৰকাশ কৰাটো সংবাদ লেখনৰ এক গুৰুত্বপূৰ্ণ গুণ।

**ঘ) নির্ভুলতাঃ** নাম, স্থান, তাৰিখ, সংখ্যা, পদবী, উদ্ধৃতি আদি তথ্যৰ ক্ষেত্ৰত সামান্য ভুলেও সংবাদৰ বিশ্বাসযোগ্যতা নষ্ট কৰিব পাৰে। সেয়েহে ভাষাৰ লগতে তথ্যৰো শুদ্ধতা অতি প্ৰয়োজনীয়।

**ঙ) নিৰপেক্ষতাঃ** সংবাদৰ ভাষাত সংবাদদাতাৰ ব্যক্তিগত মতামত, আবেগ বা পক্ষপাত প্ৰকাশ পাব নালাগে। বিশেষকৈ ৰাজনীতি, সামাজিক সংঘাত, দুৰ্ঘটনা আদি সংবেদনশীল বিষয়ৰ সংবাদত নিৰপেক্ষ ভাষা ব্যৱহাৰ কৰিব লাগে।

**চ) সময়োপযোগিতাঃ** সংবাদৰ ক্ষেত্ৰত সময় অতি মূল্যৱান। সেয়েহে নতুন আৰু গুৰুত্বপূৰ্ণ তথ্যক অগ্ৰাধিকাৰ দি সংবাদ প্ৰস্তুত কৰিব লাগে।

**ছ) সক্ৰিয় আৰু পোনপটীয়া বাক্যঃ** যিমান সম্ভৱ পোনপটীয়া আৰু সক্ৰিয় বাক্য ব্যৱহাৰ কৰিলে সংবাদ সহজে বুজিব পৰা যায়। উদাহৰণ স্বৰূপে–

"আজি পুৱা হোৱা ধুমুহাত নগৰখনৰ কেইবাখনো ঠাইত গছ উভালি পৰে।"

এই বাক্যটো "আজি পুৱা নগৰখনত ধুমুহা হৈছিল আৰু সেই ধুমুহাৰ ফলত বহু ঠাইত গছ উভালি পৰিছিল"তকৈ অধিক সংক্ষিপ্ত আৰু সংবাদোপযোগী।

**২. অনাতাঁৰৰ বাবে বাতৰি প্ৰস্তুতঃ**

অনাতাঁৰ বা ৰেডিঅ'ত শ্ৰোতাই বাতৰি শুনি গ্ৰহণ কৰে। ইয়াত লিখিত শব্দ দেখাৰ সুযোগ নাথাকে। সেয়েহে অনাতাঁৰৰ বাতৰিৰ ভাষা এনেধৰণৰ হ'ব লাগে যাতে এবাৰ শুনিলেই মূল কথাটো সহজে বুজিব পৰা যায়।

**অনাতাঁৰৰ বাতৰিৰ ভাষাৰ বৈশিষ্ট্যসমূহ হ'ল–**

১. ভাষা অতি সহজ আৰু কথিত ৰূপৰ ওচৰ চপা হ'ব লাগে।

২. দীঘলীয়া আৰু জটিল বাক্য পৰিহাৰ কৰিব লাগে।

৩. এটা বাক্যত এটা মূল তথ্য প্ৰকাশ কৰাটো ভাল।

৪. কঠিন নাম, সংখ্যা বা বিদেশী শব্দৰ উচ্চাৰণ স্পষ্ট হ'ব লাগে।

৫. সংবাদৰ আৰম্ভণিতে আটাইতকৈ গুৰুত্বপূৰ্ণ তথ্য দিব লাগে।

৬. সংক্ষিপ্ত বাক্য আৰু স্বাভাৱিক শব্দচয়ন ব্যৱহাৰ কৰিব লাগে।

৭. শ্ৰোতাই যাতে শুনি সহজে তথ্য মনত ৰাখিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। উদাহৰণ স্বৰূপে-

কাকতৰ বাবেঃ

"গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত আজি পুৱা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হয়। ইয়াৰ ফলত যান-বাহনৰ চলাচল ব্যাহত হয়।"

অনাতাঁৰৰ বাবেঃ

"গুৱাহাটীত আজি পুৱা ধাৰাসাৰ বৰষুণ হয়। বৰষুণৰ ফলত মহানগৰীৰ কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। বহু ঠাইত যান-বাহনৰ চলাচল ব্যাহত হৈছে।"

দ্বিতীয়টো ৰূপ শুনি বুজিবলৈ অধিক সুবিধাজনক।

**৩. দূৰদৰ্শনৰ বাবে বাতৰি প্ৰস্তুতঃ**

দূৰদৰ্শনৰ সংবাদৰ বিশেষত্ব হৈছে—ই শব্দ আৰু দৃশ্য, দুয়োটাকে একেলগে ব্যৱহাৰ কৰে। সেয়েহে দূৰদৰ্শনৰ সংবাদ লিখোঁতে কেৱল ভাষাৰ ওপৰত নহয়, দৃশ্যৰ সৈতেও ভাষাৰ সামঞ্জস্য ৰখা প্ৰয়োজন। দূৰদৰ্শনৰ বাতৰিৰ সাধাৰণ গঠন হৈছে—শিৰোনাম, উপস্থাপকৰ ভূমিকা, দৃশ্য, সংবাদদাতাৰ বিৱৰণ, সাক্ষাৎকাৰ বা উদ্ধৃতি আৰু প্ৰয়োজন অনুসৰি শেষ মন্তব্য।

**দূৰদৰ্শনৰ সংবাদৰ ভাষাৰ বৈশিষ্ট্যসমূহ হ'ল-**

১। সংক্ষিপ্ত আৰু পোনপটীয়া বাক্য ব্যৱহাৰ।

২। দৃশ্যৰ সৈতে মিল থকা বিৱৰণ আগবঢ়োৱা।

৩। অতিৰিক্ত বৰ্ণনা পৰিহাৰ কৰা।

৪। প্ৰয়োজনীয় তথ্যৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা।

৫। সাক্ষাৎকাৰ আৰু উদ্ধৃতিৰ যথাযথ ব্যৱহাৰ কৰা।

৬। দৰ্শকৰ মনোযোগ ধৰি ৰাখিব পৰাকৈ উপস্থাপন কৰা।

দূৰদৰ্শনৰ বাতৰিত যি কথা ইতিমধ্যে দৃশ্যত স্পষ্টভাৱে দেখা গৈছে, সেই কথাকে দীঘলীয়াকৈ শব্দৰে পুনৰ বৰ্ণনা কৰাৰ প্ৰয়োজন নাই। উদাহৰণস্বৰূপে, বানপানীৰ দৃশ্যত পানীত ডুব যোৱা পথ স্পষ্টকৈ দেখা গ'লে সেই দৃশ্যৰ সৈতে মিল ৰাখি সংক্ষিপ্ত তথ্য আগবঢ়োৱাই অধিক ফলপ্ৰসূ।

**৪. কাকতৰ বাবে বাতৰি প্ৰস্তুতঃ**

কাকত হৈছে সংবাদ প্ৰকাশৰ এক পৰম্পৰাগত আৰু গুৰুত্বপূৰ্ণ মাধ্যম। কাকতৰ পাঠকে বাতৰিটো নিজে পঢ়ে আৰু প্ৰয়োজন অনুসৰি পুনৰ পঢ়িব পাৰে। সেয়েহে কাকতৰ বাতৰিৰ ভাষাত তথ্যৰ পৰিমাণ তুলনামূলকভাৱে বেছি হ'ব পাৰে। কাকতৰ বাতৰি সাধাৰণতে শিৰোনাম, সূচনা বা লীড, মূল সংবাদ আৰু পৰৱৰ্তী তথ্যৰে গঠিত হয়।

**কাকতৰ বাতৰিৰ ভাষাৰ বৈশিষ্ট্যসমূহ হ'ল–**

১. আকৰ্ষণীয় শিৰোনাম : শিৰোনাম চমু, তথ্যবহুল আৰু বিষয়টোৰ মূল কথাটো প্ৰকাশ কৰা হ'ব লাগে।

২. লীড বা সূচনা : বাতৰিৰ প্ৰথম অনুচ্ছেদত আটাইতকৈ গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিব লাগে।

৩. উল্টা পিৰামিড পদ্ধতি : কাকতৰ সংবাদত সাধাৰণতে গুৰুত্বপূৰ্ণ তথ্য প্ৰথমে আৰু কম গুৰুত্বপূৰ্ণ তথ্য পিছত দিয়া হয়।

৪. তথ্যৰ বিস্তাৰ : প্ৰয়োজন অনুসৰি ঘটনাৰ পটভূমি, সংশ্লিষ্ট ব্যক্তিৰ বক্তব্য, পৰিসংখ্যা আৰু অন্যান্য তথ্য সংযোজন কৰিব পাৰি।

৫. উদ্ধৃতিৰ ব্যৱহাৰ : বিশ্বাসযোগ্য ব্যক্তিৰ বক্তব্য সংবাদক অধিক তথ্যসমৃদ্ধ কৰে। উদাহৰণ. স্বৰূপে–

শিৰোনাম : ধাৰাসাৰ বৰষুণত গুৱাহাটীৰ কেইবাটাও অঞ্চল জলমগ্ন

বাতৰি : গুৱাহাটীত আজি পুৱা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত মহানগৰীৰ কেইবাটাও অঞ্চল জলমগ্ন হয়। কৃত্ৰিম বানৰ ফলত বিভিন্ন পথত

যান-বাহনৰ চলাচল ব্যাহত হয়। মহানগৰীৰ কেইবাটাও স্থানত পৌৰ নিগমৰ কৰ্মচাৰীয়ে পানী নিষ্কাশনৰ কাম আৰম্ভ কৰে।

**৫. আলোচনীৰ বাবে বাতৰি প্ৰস্তুতঃ**

কাকতৰ তুলনাত আলোচনীত কোনো ঘটনা বা বিষয় অধিক বিস্তৃতভাৱে উপস্থাপন কৰাৰ সুযোগ থাকে। আলোচনীৰ সংবাদত ঘটনাৰ তাৎক্ষণিক তথ্যৰ লগতে তাৰ পটভূমি, কাৰণ, প্ৰভাৱ আৰু বিশ্লেষণো থাকিব পাৰে। আলোচনীৰ ভাষা কাকতৰ দৈনন্দিন সংবাদৰ তুলনাত কিছু বৰ্ণনামূলক হ'ব পাৰে। তথাপি তথ্যৰ শুদ্ধতা আৰু নিৰপেক্ষতা বজাই ৰখা অতি প্ৰয়োজন। উদাহৰণস্বৰূপে-

বানপানী সম্পৰ্কীয় দৈনিক সংবাদত "কিমান অঞ্চল জলমগ্ন হ'ল" এই তথ্য থাকিব পাৰে। কিন্তু আলোচনীৰ বাবে প্ৰস্তুত কৰা প্ৰতিবেদনত বানপানীৰ কাৰণ, নগৰ পৰিকল্পনা, নলা-নৰ্দমা ব্যৱস্থা, নাগৰিকৰ সমস্যা, বিশেষজ্ঞৰ মতামত আৰু দীৰ্ঘম্যাদী সমাধানৰ বিষয়ো আলোচনা কৰিব পাৰি।

**৬. নতুন মাধ্যমৰ বাবে বাতৰি প্ৰস্তুতঃ**

বৰ্তমান সময়ত ইন্টাৰনেট, ৱেবছাইট, নিউজ প'ৰ্টেল, সামাজিক মাধ্যম, মোবাইল এপ, ব্লগ, পডকাষ্ট আদি নতুন মাধ্যম সংবাদ প্ৰচাৰৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈ পৰিছে। এই মাধ্যমসমূহত সংবাদ অতি কম সময়ৰ ভিতৰতে বৃহৎ সংখ্যক মানুহৰ ওচৰলৈ যায়। নতুন মাধ্যমৰ বাতৰি সাধাৰণতে দ্ৰুত, সংক্ষিপ্ত, মোবাইল-অনুকূল আৰু দৃশ্য-শ্ৰাব্য উপাদানসমৃদ্ধ হয়।

**নতুন মাধ্যমৰ সংবাদৰ ভাষাৰ বৈশিষ্ট্যসমূহ হ'ল-**

. ১। অতি সংক্ষিপ্ত আৰু সহজ ভাষা ব্যৱহাৰ।

২। আৰম্ভণিতে মূল তথ্য উপস্থাপন।

৩। উপযুক্ত আৰু স্পষ্ট শিৰোনাম ব্যৱহাৰ।

৪। সৰু সৰু অনুচ্ছেদৰ ব্যৱহাৰ।

৫। প্ৰয়োজন অনুসৰি ছবি, ভিডিঅ’, ইনফ’গ্ৰাফিক আৰু লিংকৰ ব্যৱহাৰ।

৬। অনুসন্ধানযোগ্য (search-friendly) শব্দৰ সঠিক ব্যৱহাৰ।

৭। সামাজিক মাধ্যমত শ্বেয়াৰ কৰিব পৰা সংক্ষিপ্ত ৰূপ।

৮। দ্ৰুত প্ৰকাশৰ লগতে তথ্য পৰীক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান।

. নতুন মাধ্যমৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ সমস্যা হৈছে ভুৱা সংবাদ বা Fake News। সেয়েহে দ্ৰুত সংবাদ প্ৰকাশৰ প্ৰতিযোগিতাত তথ্য পৰীক্ষা নকৰাকৈ কোনো সংবাদ প্ৰকাশ কৰা উচিত নহয়।

## ৭. বিভিন্ন মাধ্যমত একেটা বাতৰিৰ ভাষাগত পাৰ্থক্যঃ

কোনো এটা ঘটনা বিভিন্ন মাধ্যমৰ বাবে ভিন্ন ধৰণে উপস্থাপন কৰিব পাৰি। ধৰা হওক—এখন মহাবিদ্যালয়ত নতুন গ্ৰন্থাগাৰ উদ্বোধন কৰা হ’ল।

**অনাতাঁৰৰ বাবেঃ**

“মৰিগাঁৱৰ এখন মহাবিদ্যালয়ত আজি নতুন গ্ৰন্থাগাৰ উদ্বোধন কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।”

**দূৰদৰ্শনৰ বাবেঃ**

“মৰিগাঁৱৰ এই মহাবিদ্যালয়খনত আজি নতুন গ্ৰন্থাগাৰ উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ লগতে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।”

ইয়াৰ লগত উদ্বোধনী অনুষ্ঠানৰ দৃশ্য সংযোজন কৰা হ’ব।

**কাকতৰ বাবেঃ**

“মৰিগাঁৱৰ এখন মহাবিদ্যালয়ত আজি নতুন গ্ৰন্থাগাৰ উদ্বোধন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষই ফিতা কাটি গ্ৰন্থাগাৰটো মুকলি কৰে। অনুষ্ঠানত শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় লোকসকলো উপস্থিত থাকে।”

**অনলাইন সংবাদৰ বাবেঃ**

“মৰিগাঁৱৰ মহাবিদ্যালয়ত নতুন গ্ৰন্থাগাৰ উদ্বোধন । ছাত্ৰ–ছাত্ৰীৰ পাঠ্যাভ্যাস বৃদ্ধিৰ লক্ষ্য”

ইয়াৰ তলত ঘটনাটোৰ বিস্তৃত তথ্য, ছবি আৰু ভিডিঅ’ সংযোজন কৰিব পাৰি।

**৮. সংবাদ লেখনত ভাষাৰ ক্ষেত্ৰত সাৱধানতাঃ**

সংবাদ প্ৰস্তুত কৰোঁতে কিছুমান বিষয় বিশেষভাৱে মনত ৰাখিব লাগে—

১. ভুল তথ্য প্ৰকাশ কৰিব নালাগে।

২. অতিৰঞ্জিত বা চাঞ্চল্যকৰ শব্দৰ অপব্যৱহাৰ কৰিব নালাগে।

৩. ব্যক্তিগত মতামতক সংবাদ হিচাপে উপস্থাপন কৰিব নালাগে।

৪. কাৰো বিৰুদ্ধে প্ৰমাণবিহীন অভিযোগ প্ৰকাশ কৰা উচিত নহয়। সংবেদনশীল বিষয়ত দায়িত্বশীল আৰু সংযত ভাষা ব্যৱহাৰ কৰিব লাগে।

৫. সংবেদনশীল বিষয়ত দায়িত্বশীল আৰু সংযত ভাষা ব্যৱহাৰ কৰিব লাগে।

৬. নাম, বয়স, স্থান, পদবী, তাৰিখ আৰু পৰিসংখ্যা পুনৰ পৰীক্ষা কৰিব লাগে।

৭. উদ্ধৃতিৰ অৰ্থ বিকৃত কৰিব নালাগে।

৮. শিৰোনাম আৰু মূল সংবাদৰ মাজত সামঞ্জস্য থাকিব লাগে।

৯. সংবাদত অপ্ৰয়োজনীয় বিশেষণ আৰু আবেগিক শব্দ পৰিহাৰ কৰিব লাগে।

১০. নতুন মাধ্যমত প্ৰকাশই ক্ষেত্ৰত তথ্যৰ উৎস আৰু বিশ্বাসযোগ্যতা বিশেষভাৱে পৰীক্ষা কৰিব লাগে।

সংবাদ লেখনৰ মূল শক্তি হৈছে ভাষা আৰু তথ্যৰ সঠিক সমন্বয়। অনাতাঁৰৰ বাবে ভাষা শ্ৰুতিগ্ৰাহ্য, দূৰদৰ্শনৰ বাবে দৃশ্য–সহায়ক, কাকত–

আলোচনীৰ বাবে তথ্যসমৃদ্ধ আৰু নতুন মাধ্যমৰ বাবে দ্রুত, সংক্ষিপ্ত আৰু ডিজিটেল উপযোগী হোৱা প্রয়োজন। মাধ্যম বেলেগ হ'লেও সংবাদ লেখনৰ মৌলিক আদৰ্শ—সত্যতা, নিৰপেক্ষতা, স্পষ্টতা, সংক্ষিপ্ততা, নির্ভুলতা আৰু দায়িত্বশীলতা—একেই থাকে। এজন দক্ষ সংবাদ লেখকে কেৱল ঘটনা সংগ্ৰহ কৰাই নহয়, কোনটো তথ্য কেনেদৰে, কোন ভাষাত আৰু কোন মাধ্যমৰ উপযোগীকৈ উপস্থাপন কৰিব লাগে সেই কথাও জানিব লাগিব। সেয়ে সংবাদ লেখনত ভাষাৰ ব্যৱহাৰ কেৱল শব্দ নির্বাচনৰ বিষয় নহয়; ই হৈছে তথ্যক উপযুক্ত ৰূপত জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ এক সৃষ্টিশীল আৰু দায়িত্বশীল প্ৰক্ৰিয়া।